**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 03-03-2026

**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

১।  দৌল উৎসৱ উপলক্ষে মাজুলী, বটদ্ৰবা, বৰপেটাকে ধৰি বিভিন্ন সত্ৰ -দৌলত অগনন ভক্তৰ ভিৰ ।

২।  কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাত প্ৰথমখন চৰকাৰী অৰ্কিড উদ্যান মুকলি।

৩।  ৰাজ্যসভাৰ অসমৰ ২ খন আসনৰ বাবে বিজেপিৰ প্ৰাৰ্থী ঘোষণা। *আৰু*

৪।  প্ৰধানমন্ত্ৰীৰ শিলচৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কাছাৰ জিলা প্ৰশাসনৰ সৈতে মন্ত্ৰী পীয়ুষ হাজৰিকাৰ বৈঠক।

০০০০০

সমগ্ৰ ৰাজ্যতে দৌল উৎসৱ উপলক্ষে আনন্দমুখৰ পৰিবেশে বিৰাজ কৰিছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে পৰস্পৰক আবিৰ সানি ফাকুৱাৰ আনন্দ উপভোগ কৰিছে। সত্ৰনগৰী বৰপেটা, গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলীৰ সত্ৰসমূহত আধ্যাত্মিক ৰীতি-নীতি তথা আনন্দ উৎসাহেৰে দৌল উৎসৱ পালন কৰা হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি কালিৰেপৰা পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি সত্ৰীয়া নীতি-নিয়মেৰে গোসাঁইৰ মূৰত ফাকু দিয়া হয়। আজি গোটেই নিশা গোসাঁইক ৰভাঘৰত থৈ নাম-প্ৰসংগ কৰা হ'ব। নিশাৰ ভাগত আকাশী গংগা তীৰৰ আই খেৰসুঁতি সাংস্কৃতিক মঞ্চত সত্ৰীয় অনুষ্ঠান আৰু গুৰুজনাৰ অপূৰ্ব সৃষ্টি পাৰিজাত হৰণ নাট পৰিবেশন কৰা হ'ব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফল্গুৎসৱৰ অনুষ্ঠিত হৈছে। দক্ষিণপাট সত্ৰত আজি দেৱদোলন আৰু ৰাজদোলন কাৰ্যসূচী অনুষ্ঠিত হয়। কাইলৈ মনুষ্য দোলনৰ পাছতে ফাকুখেলি কাৰ্যসূচী সামৰা হ'ব।

দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে গুৱাহাটী মহানগৰীতো উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে কেবাখনো জিলাৰ প্ৰশাসনে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দৌল উৎসৱ উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে প্ৰকৃতি আৰু আধ্যাত্মিকতাৰে সংপৃক্ত এই উৎসৱে অসুয়া অপ্ৰীতি নাশ কৰি সকলোৰে জীৱন আনন্দময় কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। ফাকুৱা উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্যৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাত আজি প্ৰথমখন চৰকাৰী অৰ্কিড উদ্যান মুকলি কৰা হয়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি উদ্যানখন আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে। প্ৰথম পৰ্যায়ত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অৰ্কিড উদ্যানত বিৰল প্ৰজাতিৰ ৯০০ বিধৰো অধিক অৰ্কিডৰ প্ৰাকৃতিকভাৱে সংৰক্ষণ আৰু প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ২০ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা উদ্যানখনত ৫০০ খন আসনযুক্ত সাংস্কৃতিক মঞ্চ, পৰ্যটন নিবাস, শিশু

উদ্যান, প্ৰশাসনিক ভৱন, থলুৱা খাদ্যৰ ভোজনালয় আদিৰ ব্যৱস্থা আছে। ইয়াত অসমৰ স্থাপত্য ঐতিহ্য সংৰক্ষণৰ দিহা কৰা হৈছে। এই অৰ্কিড উদ্যানৰ জৰিয়তে স্থানীয় লোকসকলে আৰ্থিক উন্নয়নৰ সুযোগ লাভ কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে আজিৰ অনুষ্ঠানত দিয়া ভাষণত এই উদ্যানৰ জৰিয়তে জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰাৰ লগতে ইয়াৰ দ্বাৰা পৰ্যটকৰ আগমন বৃদ্ধি হ'ব বুলি আশা প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত এই উদ্যানত এহেজাৰ ৬০০ বিধৰো অধিক অৰ্কিড ৰখাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। (বাইট)

আজিৰ অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, বিত্ত মন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ৰাজ্যসভাৰ দুখন আসনৰ বাবে বিজেপিয়ে আজি প্ৰাৰ্থী ঘোষণা কৰিছে। বিজেপিৰ তেৰছ গোৱালা আৰু যোগেন মহনৰ নাম দুখন আসনৰ বাবে নিশ্চিত কৰা হৈছে যদিও তৃতীয়খন আসনৰ বাবে এতিয়াও প্ৰাৰ্থী চূড়ান্ত হোৱা নাই। বিহাৰৰ দুখন আসনৰ বাবে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু ছিবেশ কুমাৰৰ নাম ঘোষণা কৰা হৈছে। ছত্তিশগড় আৰু হাৰিয়ানাৰ এখনকৈ আসনৰ বাবে ক্ৰমে লক্ষ্মী বাৰ্মা আৰু সঞ্জয় ভাটিয়াৰ নাম ঘোষণা কৰা হৈছে। ওড়িশাত দুখন আসনৰ বাবে মনমোহন চামল আৰু সুজিত কুমাৰক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে। ৰাজ্যসভাৰ এখন আসনৰ বাবে পশ্চিমবংগত ৰাহুল সিনহাৰ নাম বাছনি কৰা হৈছে। উল্লেখযোগ্য যে ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে অহা ৫ মাৰ্চত মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন আৰু ১৬ মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অহা ১৪ মাৰ্চত বৰাক উপত্যকা ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। বৰাক উপত্যকা ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে শিলচৰত এখন জনসভাত অংশ লব। জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই আজি শিলচৰৰ প্ৰস্তাৱিত সভাস্থলী ৰামনগৰ বাইপাছ পৰিদৰ্শন কৰে। তেওঁ এই ভ্ৰমণ সন্দৰ্ভত কাছাৰ জিলা আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। বৈঠকত বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ৰ উপৰি কেইবাগৰাকীও বিধায়ক আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভত শ্ৰীহাজৰিকাই এইদৰে কয়-

(বাইট)

০০০০০

গোলাঘাট জিলাৰ কমাৰগাঁৱত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চুতীয়া ৰাজ্যৰ অন্তিম গৰাকী ৰাণী সতী সাধনীৰ নামত উৎসৰ্গিত সমন্বয় ক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি সমন্বয় ক্ষেত্ৰত চুতীয়া ৰাজ্যৰ এটা আৰ্হি নিৰ্মাণ কৰাৰ লগতে বীৰাঙ্গনাগৰাকীৰ এশ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি স্থাপনৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰে। তদুপৰি সমন্বয় ক্ষেত্ৰত চুতীয়া ৰাজ্যৰ ৰাজধানী ভীষ্মক নগৰ, ৰুক্মিনী নগৰ, ইটানগৰ আৰু পদুমপুখুৰী আদিৰ আৰ্হি স্থাপন কৰাৰ লগতে সংগ্ৰহালয়, পুথিভড়াল, গোঁসানী শালকে ধৰি বিভিন্ন প্ৰকল্পও সংযুক্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে।

০০০০০

মন্ত্ৰী প্ৰশান্ত ফুকনে আজি ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ১৫০ টা নামঘৰ আৰু উপাসনা স্থলীলৈ অসম দৰ্শন আঁচনিৰ অধীনত ডেৰ লাখ টকাকৈ চেক বিতৰণ কৰে। জীৱন ফুকন নগৰত থকা স্থানীয় বিধায়ক তথা মন্ত্ৰীগৰাকীৰ বাসগৃহত এই উপলক্ষে আয়োজিত বিশেষ অনুষ্ঠানত চেকসমূহ বিতৰণ কৰা হয়।

০০০০০

টিংখাং বিধানসভা সমষ্টিৰ বিধায়ক সেৰা কেন্দ্ৰত আজি মন্ত্ৰী বিমল বৰাই হিতাধিকাৰীৰ মাজত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অভিযানৰ চেক বিতৰণ কৰে। এই অনুষ্ঠানত ডিব্ৰুগড় জিলা উদ্যোগ বাণিজ্য কেন্দ্ৰৰ বিষয়া বিৰোজ প্ৰাণ বসুমতাৰীৰ লগতে কেইবাগৰাকীও বিষয়া কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ মীন, পশুপালন আদি দপ্তৰৰ মন্ত্ৰী ৰাজীৱ ৰতন সিঙৰ সমাগত অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি যোৰহাট জিলা আয়ুক্ত কাৰ্য্যালয় কক্ষত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ কলীয়াপানীত হ'বলগীয়া দুগ্ধ সংশাধন প্ৰকল্পৰ আধাৰশিলা স্থাপন অনুস্থানৰ প্ৰস্তুতিৰ বুজ লোৱা হয়। বৈঠকত মৰিয়নি সমজিলা আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু অন্যান্য উচ্চ পদস্থ বিষয়া সকল উপস্থিত থাকে।

ooooo

শিৱসাগৰৰ ঐতিহাসিক তলাতল ঘৰ প্ৰাঙ্গনত আজি টাই আহোম জনগোষ্ঠীয় সংগঠন আৰু বিভিন্ন বংশাৱলীৰ এখন মেজমেল অনুষ্ঠিত হয়। এই মেজমেলত টাই আহোমসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। মেজমেলৰ জৰিয়তে উজনি অসমৰ ৩৬ টা বিধানসভা সমষ্টিৰ আহোম প্ৰাৰ্থীক প্ৰাধান্য দিয়াৰ বাবে ৰাজনৈতিক দলসমূহক আহ্বান জনোৱা হয়।

ooooo

সমাপ্ত